# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-JAN-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। সমগ্ৰ দেশতে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন। দেশৰ প্ৰগতি আৰু সামৰিক শক্তিৰ প্ৰদৰ্শনেৰে নতুন দিল্লীৰ কৰ্তব্যপথত দেশৰ প্ৰগতি, সামৰিক শক্তি আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰদৰ্শন।

২। গণৰাজ্য দিৱসৰ পেৰেডত বন্দে মাতৰমৰ ডেৰশ বছৰ আৰু অপাৰেশ্যন সিন্দূৰৰ সাফল্য উদযাপন। অসমৰ পোৰামাটিৰ শিল্প প্ৰতীকপট হিচাপে প্ৰদৰ্শন।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত গণৰাজ্য দিৱসৰ কাৰ্যসূচী। খানাপাৰাত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

৪। উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে উৎসাহ-উদ্দীপনাৰে গণৰাজ্য দিৱস উদযাপন।

**আৰু**

৫। তিনিচুকীয়াত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যৰ দ্বিতীয়খন দক্ষতা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন।

০০০০০

দেশ জুৰি আজি ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথৰ পৰা গণৰাজ্য দিৱস উদযাপনত ৰাষ্ট্ৰক নেতৃত্ব দিয়ে। গণৰাজ্য দিৱসৰ কুচকাৱাজত দেশৰ বৰ্ণাঢ্য সংস্কৃতি আৰু সামৰিক শক্তিৰ অনবদ্য প্ৰদৰ্শন দেখিবলৈ পোৱা যায়। এইবাৰৰ কুচকাৱাজত ব্ৰহ্মচ ছুপাৰ ছনিক ক্ষেপনাস্ত্ৰ প্ৰণালী, টি-নাইনটি ভীষ্ম টেংক, অৰ্জুন মূল যুদ্ধ টেংক, আপাচে ছিক্সটি এইট হেলিকপ্টাৰ প্ৰদৰ্শনৰ লগতে ৰব'টিক দ'গ, মানৱবিহীন সেনা বাহন-নিগ্ৰহ আদি ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ পৰাক্ৰম প্ৰদৰ্শন কৰা হয়। কৰ্তব্যপথত সেনাৰ তিনিটা বাহিনী স্থলসেনা, নৌ সেনা আৰু বায়ু সেনাই বিভিন্ন দুঃসাহসিক কাৰ্যকলাপেৰে শক্তি প্ৰদৰ্শন কৰে।

এই বছৰৰ গণৰাজ্য দিৱসৰ বিষয়বস্তু হৈছে- **স্বতন্ত্ৰতাৰ মন্ত্ৰ ঃ বন্দে মাতৰম আৰু সমৃদ্ধিৰ মন্ত্ৰ ঃ আত্মনিৰ্ভৰ ভাৰত**। কুচকাৱাজৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত ছহীদসকললৈ শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পাছত কৰ্তব্য পথত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ উপস্থিতিত ৰাষ্ট্ৰীয় সংগীত পৰিবেশন কৰা হয়। ৰাষ্ট্ৰপতিয়ে সশস্ত্ৰ বাহিনী, অৰ্ধসামৰিক বাহিনী, আন বাহিনীসমূহ, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কেডেটসকলৰ কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। কুছকাৱাজ আৰম্ভ হোৱাৰ  লগে লগে বায়ু সেনাৰ বিমানেৰে পুষ্প বৃষ্টি কৰা হয়। ঐক্যবদ্ধ যুঁজৰ জয় শীৰ্ষক শিৰোনামেৰে অপাৰেচন সিন্দূৰৰ প্ৰতীকপট প্ৰদৰ্শন কৰা হয়।

এইবাৰৰ গণৰাজ্য দিৱসৰ কাৰ্য্যসূচীত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভনডেৰ লেয়েন আৰু ইউৰোপীয়ান কাউন্সিলৰ সভাপতি এণ্টনিঅ' লুই ছান্তোচ দ্যা কোস্তা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। কুচকাৱাজত বিভিন্ন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, বিভিন্ন মন্ত্ৰালয় তথা বিভাগৰ ৩০ টা প্ৰতীকপট প্ৰদৰ্শন কৰা হৈছে। এই প্ৰতীকপটসমূহত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ পূৰ্তি আৰু বিভিন্ন খণ্ডত আত্মনিৰ্ভৰশীলতাৰে দেশৰ দ্ৰুত প্ৰগতিৰ দিশসমূহ প্ৰতিফলিত হৈছে। এইবাৰৰ কুচকাৱাজত ধুবুৰীৰ আশাৰিকান্দিৰ বিখ্যাত পোৰামাটিৰ শিল্প প্ৰতীকপট হিচাপে প্ৰদৰ্শন কৰা হৈছে।

*(মিউজিক)*

০০০০০

অসমৰ বিভিন্ন জিলাতো বিস্তৃত কাৰ্যসূচীৰে গণৰাজ্য দিৱস উদযাপন কৰা হয়। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উৰুৱায়। নিজৰ ভাষণত ৰাজ্যপালগৰাকীয়ে দেশৰ কষ্টোপাৰ্জিত স্বাধীনতা প্ৰমূল্য বৰ্তাই ৰাখিবলৈ ৰাজ্যবাসীৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাই দিয়া ভাষণত ৰাজ্যপালে অসমৰ ঐতিহাসিক মঠ-মন্দিৰ, পৰ্যটন স্থল, স্মাৰক আদিৰ সংৰক্ষণ আৰু সম্বৰ্ধনৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰে। তেওঁ বিশেষকৈ যুৱ সম্প্ৰদায়ক এই ঐতিহাসিক সম্পদসমূহ সংৰক্ষণ কৰি নতুন অসম গঢ়াৰ দিশত আগবাঢ়িবলৈ আহ্বান জনায়।

*(ভইচ ঃ ৰাজ্যপাল)*

বন্দে মাতৰম ৰচনাৰ ১৫০ বছৰ পূৰ্ণ হোৱা প্ৰসংগত ৰাজ্যপালে এই গীতটোক কেৱল এটা গীত নহয়, ই স্বাধীনতা সংগ্ৰামত কোটি কোটি ভাৰতীয় হৃদয়ত দেশভক্তিৰ অগ্নি প্ৰজ্বলিত কৰা এটা মন্ত্ৰ বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলৰ লগতে ৰাজ্যৰ ২৪টা দলে গুৱাহাটীৰ কুচকাৱাজত অংশগ্ৰহণ কৰে। ডিব্ৰুগড় জিলাৰ খনিকৰ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পতাকা উৰুৱায়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে দেশৰ হকে প্ৰাণ আহুতি দিয়া ছহিদৰ প্ৰতি খনিকৰ খেলপথাৰত শ্ৰদ্ধা তৰ্পণ কৰে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে লাখ লাখ স্বাধীনতা সংগ্ৰামীৰ ত্যাগ আৰু বীৰ ছহিদসকলৰ বলিদানক ত্ৰিৰংগ পতাকাৰ গৌৰৱে প্ৰতিনিধিত্ব কৰে বুলি মত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই নিজৰ ভাষণত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি অসমৰ অৰ্থনীতি বিগত ৫ বছৰত দ্ৰুতগতিত বৃদ্ধি পাইছে বুলি মন্তব্য কৰে।

*(ভইচ ঃ ড০ শৰ্মা)*

ডাভোছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ সন্মিলনত অসমে ডেৰ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ লাভ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৩০ জানুৱাৰীত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে বাল্য বিবাহৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ বিষয়ে উল্লেখ কৰে। তদুপৰি ছমাহৰ ভিতৰত বিশ্ব ছেমিকণ্ডাক্টৰ মানচিত্ৰত স্থান লাভ কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। বিগত ৫ বছৰত অসমে অবৈধ দখলকাৰীৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদত আজি পুৱা উপ-সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়োৱে ৰাষ্ট্ৰীয় পতাকা উৰুৱায়।

মৰিগাঁও জিলাৰ জাগীৰোড সম-জিলা প্ৰশাসনৰ উদ্যোগত জাগী ভকত গাঁৱত বৰ্ণাঢ্য কাৰ্যসূচীৰে গণৰাজ্য দিৱস উদযাপন কৰা হয়। মন্ত্ৰী পীযুষ হাজৰিকাই এই কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উৰুৱায়। অনুষ্ঠানত আৰক্ষী বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলে কুচকাৱাজ প্ৰদৰ্শন কৰে। ইয়াৰ লগতে বিভিন্ন চৰকাৰী বিভাগৰ প্ৰতীকপট প্ৰদৰ্শন কৰা হয়। নগাওঁৰ ঐতিহ্যমণ্ডিত নুৰুল আমিন ষ্টেডিয়ামত মন্ত্ৰী নন্দিতা গাৰ্লোচাই ৰাষ্ট্ৰীয় পতাকা উৰুৱায়। নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই নলবাৰী আৰক্ষী অধীক্ষকৰ কাৰ্যালয় খেলপথাৰত আযোজিত অনুষ্ঠানত গণৰাজ্য দিৱসৰ পতাকা উৰুৱায়। বঙাইগাওঁত পৰিবহন মন্ত্ৰী চৰণ বড়োৱে দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত চাংসাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত গণৰাজ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে পতাকা উৰুৱায়। চিৰাং জিলাৰ সদৰ কাজলগাঁৱত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই ৰাষ্ট্ৰীয় পতাকা উৰুৱাই দিয়া ভাষণত দেশৰ স্বাধীনতা আন্দোলনত প্ৰাণ আহুতি দিয়াসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। দৰং জিলা প্ৰশাসনৰ উদ্যোগত মঙলদৈ কাছাৰীমৈদানত আজি গণৰাজ্য দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৰপেটাত জিলা আয়ুক্তই গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

গোলাঘাট জিলাত মন্ত্ৰী অজন্তা নেওগে গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ত্ৰিৰংগ পতাকা উৰুৱাৰ লগতে ৰাইজক উদ্দেশ্যি ভাষণ দিয়ে। যোৰহাটৰ জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী অতুল বৰাই ৰাষ্ট্ৰীয়

পতাকা উৰুৱায়।  এই কাৰ্যসূচীৰ পূৰ্বে তেওঁ জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তি আৰু ছহীদ বেদীত পুষ্পাঞ্জলি তৰ্পন কৰি শ্ৰদ্ধা জনায়। শোণিতপুৰ জিলাৰ চাৰ্চ ফিল্ডত অনুষ্ঠিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশ লৈ মন্ত্ৰী অশোক সিংহলে দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ ছহীদসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। ভাষণ প্ৰসংগত তেওঁ ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক আঁচনি সমূহৰ সন্দৰ্ভত আলোকপাত কৰে। গণৰাজ্য দিৱসৰ এই কাৰ্যসূচীত অনুষ্ঠিত প্ৰতীকপট প্ৰতিযোগিতাত জনস্বাস্থ্য কাৰিকৰী বিভাগে প্ৰথমস্থান লাভ কৰে। পশুপালন আৰু পশু চিকিৎসা বিভাগে দ্বিতীয় আৰু কৃষি বিভাগে এই প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰে। কাছাৰ জিলাৰ শিলচৰ পুলিচ পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী কৌশিক ৰায়ে অংশ গ্ৰহণ কৰে। ধেমাজি জিলাত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে দিৱসৰ কাৰ্যসূচীত অংশ লৈ আকৰ্ষণীয় কুচ্‌কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। শিৱসাগৰ জিলাত অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নুমল মমিনে গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। হোজাই জিলাত জিলা আয়ুক্তই আৰু কোকৰাঝাৰ জিলাত বিটিচি মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে গণৰাজ্য দিৱসৰ পতাকা উৰুৱায়। চৰাইদেউ জিলাত জিলা আয়ুক্ত আৰু বিশ্বনাথ জিলাত সমজিলা আয়ুক্তই ৰাষ্ট্ৰীয় পতাকা উৰুৱাই কুচ্‌কাৱাজৰ অভিবাদন গ্ৰহণ কৰে।

গোৱালপাৰা জিলাৰ জেটিএছ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত প্ৰদীপ টিমুঙে পতাকা উৰুৱাই ছহীদসকলক স্মৰণ কৰে। দুধনৈত ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত  গণৰাজ্য দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানত ৰাভা-হাচং স্বায়ত্বশাসিত পৰিসদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই পতাকা উত্তোলন কৰি কুচকাৱাজত অংশ লোৱা ছাত্ৰ-ছাত্ৰীসকলৰ অভিবাদন গ্ৰহণ কৰে।

ooooo

উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে আজি ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। চুবুৰীয়া ৰাজ্য মেঘালয়ৰ শ্বিলঙৰ প'ল' গ্ৰাউণ্ডত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল চি এইছ বিজয়াশংকৰে ৰাষ্ট্ৰীয় পতাকা উৰুৱায়। ৰাজ্যপালগৰাকীয়ে অনুষ্ঠানত দিয়া ভাষণত সংবিধানৰ প্ৰণেতাসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে মেঘালয়ত আইন-শৃংখলা অটুট ৰখাৰ ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা ৰাজ্যৰ আৰক্ষী আৰু অন্যান্য সুৰক্ষা বাহিনীক ধন্যবাদ জ্ঞাপন কৰে। ৰাজ্যখনে দ্ৰুতগতিত বিকাশৰ দিশে ধাৱমান হৈছে বুলি ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে।

অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰত আয়োজিত গণৰাজ্য দিৱসৰ অনুষ্ঠানত ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল কে টি পাৰনায়কে অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে ত্ৰিৰংগা পতাকা উত্তোলন কৰি সুৰক্ষা বাহিনীসমূহৰ লগতে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কুচকাৱাজৰ অভিবাদৰ গ্ৰহণ কৰে। মণিপুৰৰ ৰাজধানী ইম্ফলত ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ অনুষ্ঠানত ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই ৰাষ্ট্ৰীয় পতাকা উৰুওৱাৰ লগতে কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰি ভাষণ দিয়ে। তেওঁ লগতে সংবিধানৰ আদৰ্শ অটুট ৰাখি সৰ্বাত্মক বিকাশ আৰু সামাজিক ন্যায়ৰ বাবে শান্তি আৰু সম্প্ৰীতিৰে কাম কৰি যাবলৈ আহ্বান জনায়।

মিজোৰামৰ আইজলত ব্যাপক উৎসাহ-উদ্দীপনাৰে গণৰাজ্য দিৱস উদযাপন কৰা হয়। আইজলৰ লামুৱেল গ্ৰাউণ্ডত আয়োজিত মূল কাৰ্যসূচীত ৰাজ্যপাল ড০ বিজয় কুমাৰ সিঙে ৰাষ্ট্ৰীয় পতাকা উৰুৱায়। নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিমতো উলহ মালহেৰে গণৰাজ্য দিৱস উদযাপন কৰা হয়।

ooooo

ৰাজ্যত অনুষ্ঠিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সময়ত স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তি মৰ্মে আজি তিনিচুকীয়াত ৰাজ্যৰ দ্বিতীয়খন দক্ষতা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে প্ৰথমখন দক্ষতা বিশ্ববিদ্যালয় মঙলদৈত স্থাপন কৰা হৈছে। বিশ্বমানৰ কাৰিকৰী শিক্ষা প্ৰদান কৰিবলগীয়া এই বিশ্ববিদ্যালয়খন ২০০ কোটি টকা ব্যয়সাপেক্ষে ১০ লাখ বৰ্গফুট এলেকাত নিৰ্মাণ কৰা হ'ব। নতুন দিল্লীৰ ৱৰ্ল্ড এডুকেচন মিছনৰ সহযোগত বিশ্ববিদ্যালয়খন স্থাপন কৰা হ'ব। এই বিশ্ববিদ্যালয়ে উজনি অসমৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ যুৱক-যুৱতীসকলক দক্ষতা ভিত্তিত আৰু প্ৰযুক্তি আধাৰিত শিক্ষা প্ৰদানত সহায় হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

এই শিক্ষানুষ্ঠানখনত পৰম্পৰাগত শিক্ষাৰ লগতে আধুনিক পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ কয়। প্ৰায় ১০ হাজাৰ শিক্ষাৰ্থীয়ে একেলগে অধ্যয়ন কৰিব পৰা এই বিশ্ববিদ্যালয়ে প্ৰায় দুহেজাৰ ৫০০ লোকৰ বাবে কৰ্মসংস্থাপনৰ সৃষ্টি কৰি সমগ্ৰ অঞ্চলটোক উপকৃত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

বাইট (চি এম)

০০০০০

নগাঁও জিলাৰ কাছমাৰীৰ বৰাগাঁও পথাৰত আজি কাঁচিয়লি শিশুনাট সমাৰোহ অনুষ্ঠিত হয়। তৃতীয় বছৰৰ বাবে মুকলি পথাৰৰ নৰাৰ মাজত বাঁহেৰে সজ্জিত মঞ্চত কৃত্ৰিম শব্দ আৰু পোহৰ অবিহনে এই নাট সমাৰোহ অনুষ্ঠিত হয়। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত এই সমাৰোহত বৰজহাৰ কমলাবাৰী শাখা সত্ৰৰ বিশিষ্ট সত্ৰীয়া শিল্পী প্ৰদীপ কুমাৰ বৰা বৰবায়নক চলিত বছৰৰ কাঁচিয়লি বঁটা প্ৰদান কৰা হয়। সত্ৰ সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ৪ দশক ধৰি আগবঢ়াই অহা বৰঙণিৰ বাবে তেওঁক এই বঁটাৰে সন্মানিত কৰা হয়। সমাৰোহত আজি কাঁচিয়লি গোষ্ঠীৰ সন্ধিৰ বাঁহ বুদ্ধি কাটো আহ, মৰিগাঁৱৰ মুখা সাংস্কৃতিক কেন্দ্ৰৰ সপোন, অসম নাট্য সন্মিলনৰ কাঁচিয়লি শাখাৰ মং ডুন চুন খাম, খালৈগাঁৱৰ লাচিত বৰফুকন মধ্য আৰু উচ্চ ইংৰাজী বিদ্যালয়ৰ শেষ নোহোৱা সাধু আৰু পুৰণিগুদামৰ নৱসৃষ্টি নাট্যগোষ্ঠী বিলাতলৈ যাব বুবু আৰু দিপালী নামৰ নাট পৰিবেশন কৰা হয়।

০০০০০

কাজিৰঙাৰ বাগৰি আৰক্ষীয়ে আজি অভিযান চলাই নাগালেণ্ডৰ পৰা নগাঁও অভিমুখী এখন বাহনৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। গোপন সূত্ৰৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই গাড়ীখনত লুকুৱাই অনা ২৩টা মাদকদ্ৰব্য ভৰ্তি টেমা জব্দ কৰে। জব্দ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য ৫ কোটিৰো অধিক টকা হ'ব বুলি জানিব পৰা গৈছে। বৰপেটা জিলাৰ সৰ্থেবাৰীৰ গৰিয়াচতলাত আজি আৰক্ষীয়ে অভিযান চলাই এজন মাদক দ্ৰব্য সৰবৰাহকাৰীক আটক কৰাৰ লগতে বুজন পৰিমাণৰ মাদক দ্ৰব্য উদ্ধাৰ কৰে। অভিযানত আৰক্ষীয়ে এখন মটৰ চাইকেলো জব্দ কৰে।

০০০০০

বাক্সা জিলাৰ মৈৰাজানত আজি গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি শালবাৰী মহকুমা সাংবাদিক সন্থা আৰু অসম চেম্বাৰ্ছ অব কমাৰ্চৰ বৰপেটা ৰোডৰ ব্যৱসায়ী সন্থাৰ মাজত এখন প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত হয়। খেলখনত বৰপেটা ৰোড ব্যৱসায়ী সন্থাই শালবাৰী মহকুমা সাংবাদিক সন্থাক ৭ ৰাণত পৰাজিত কৰি বিজয়ীৰ খিতাপ অৰ্জন কৰে।

০০০০০

সমাপ্ত